নং ঃ ২৩২/২০২১

নতুন বিত্তীয় পৰিগাঁথনি সম্পৰ্কীয় কৰ্মশালাত অংশগ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

# ৰাজ্যৰ দ্ৰুত বিকাশৰ বাবে বৃহৎ বিত্তীয় সংস্কাৰ আৰম্ভ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত 'নতুন বিত্তীয় পৰিগাঁথনি — বিত্তীয় ক্ষমতা ন্যস্তকৰণ (ডিএফপি) নিয়মাৱলীৰ সংশোধনী' শীৰ্ষক এক কৰ্মশালাত অংশগ্ৰহণ কৰে। এই কৰ্মশালাত বিত্ত বিভাগৰ বিষয়ববীয়াসকল, জ্যেষ্ঠ বিষয়াবৰ্গ আৰু বিত্ত তথা গাণনিক বিষয়াসকলে ভাগ লয়।

কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আহৰণ আৰু বিত্তীয় প্ৰাধিকাৰী (ডিডিঅ')সকলৰ দ্বাৰা পুঁজিৰ দ্ৰুত ব্যৱহাৰৰ বাবে *finassam.in* পৰ্টেলৰ জৰিয়তে পুঁজি ব্যয়ৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া (ফিক্সেশ্যন অব্ চিলিং - এফ অ' চি), পুঁজি আহৰণৰ আৰ্হি (ড্ৰয়িং পেটাৰ্ণ), এফ অ' চি ডিজিটাইজেচন প্ৰক্ৰিয়াসমূহ সৰল কৰাৰ ক্ষেত্ৰত বৃহৎ সংস্কাৰ অনা হৈছে। ফাইলসমূহ যাতে সচিবালয়লৈ পঠিয়াব নালাগে আৰু পুঁজিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ বাবে বিত্তীয় নিয়মাৱলী সৰ্বাধিক শিথিল কৰা হয়, তেনে এক ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে চৰকাৰে কাম কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে নতুন বিত্তীয় পৰিগাঁথনিৰ অধীনত তিনিখন নতুন সমিতি গঠন কৰা হৈছে। সেইকেইখন হৈছে — বিভাগীয় বিত্ত সমিতি, স্থায়ী বিত্ত সমিতি আৰু বিশেষ স্থায়ী বিত্ত সমিতি।

বিভাগৰ জ্যেষ্ঠতম সচিবগৰাকীয়ে বিভাগীয় বিত্ত সমিতিৰ অধ্যক্ষতা কৰিব আৰু ইয়াত বিভাগীয় মন্ত্ৰীগৰাকী ২ কোটি টকালৈকে অনুমোদন কৰ্তৃপক্ষ হ'ব। মুখ্য সচিব স্থায়ী বিত্ত সমিতিৰ অধ্যক্ষ হ'ব। বিভাগীয় মন্ত্ৰীৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে ২ কোটিৰ পৰা ১০ কোটি টকাৰ ভিতৰৰ বিত্তীয় প্ৰস্তাৱত অনুমোদন জনাব। বিত্তমন্ত্ৰীগৰাকী বিশেষ স্থায়ী বিত্ত সমিতিৰ অধ্যক্ষ হ'ব। বিভাগীয় মন্ত্ৰীৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে ১০ কোটিৰ পৰা ১০০ কোটি টকাৰ ভিতৰৰ বিত্তীয় প্ৰস্তাৱত অনুমোদন জনাব। ১০০ কোটি টকাৰ অধিক ব্যয়ৰ প্ৰস্তাৱৰ ক্ষেত্ৰত ৰাজ্যিক কেবিনেটৰ অনুমোদনৰ প্ৰয়োজন হ'ব।

বিত্তীয় অনুমোদন সাপেক্ষে এফ অ' চি-ৰ প্ৰস্তাৱ বিভাগীয় মূৰব্বীগৰাকীয়ে অনলাইন পৰ্টেলৰ জৰিয়তে বিত্ত বিভাগৰ ওচৰত পোনপটীয়াকৈ দাখিল কৰিব পাৰিব, এইক্ষেত্ৰত প্ৰশাসনীয় বিভাগৰ জৰিয়তে যোৱাৰ কোনো প্ৰয়োজন নাই। অৱশ্যে প্ৰদান কৰা বিত্তীয় অনুমোদনসমূহ বা দাখিল কৰা এফ অ' চি প্ৰস্তাৱবোৰ নিৰীক্ষণ কৰিব পৰাকৈ প্ৰশাসনিক বিভাগক অনলাইন পৰ্টেলত প্ৰৱেশাধিকাৰ প্ৰদান কৰা হ'ব।

প্ৰশাসনিক অনুমোদন (এডমিনিষ্ট্ৰেটিভ এপ্ৰ'ভেল)ৰ ক্ষেত্ৰত বিভাগবোৰে সংশ্লিষ্ট শিতানৰ অধীনত বাজেট আৱণ্টনৰ দুগুণ পৰ্যন্ত ধনৰ বাবে অনুমোদন প্ৰদান কৰিব পৰিব। কেন্দ্ৰীয় পৃষ্ঠপোষকতাপ্ৰাপ্ত আঁচনি (চি এছ এছ), গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (আৰ আই ডি এফ), কেন্দ্ৰীয় খণ্ডৰ আঁচনি, উত্তৰ-পূব পৰিষদ, অপৰিশোধেয় কেন্দ্ৰীয় উৎসৰ পুঁজি (এন এল চি পি আৰ) আৰু বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প (ই এ পি)ৰ অধীনৰ প্ৰকল্প বা আঁচনিসমূহৰ বাবে ভাৰত চৰকাৰে বা পুঁজি প্ৰদানকাৰী সংস্থাই সংশ্লিষ্ট প্ৰকল্প বা আঁচনিৰ বাবে অনুমোদন দিয়া পুঁজিৰ সম পৰিমাণৰ পুঁজিৰ বাবে প্ৰশাসনিক অনুমোদন প্ৰদান কৰা হ'ব। একেটা বিত্তীয় বৰ্ষত অতিৰিক্ত বাজেট আৱণ্টনৰ

বাবে প্ৰশাসনিক অনুমোদন প্ৰদান কৰাৰ পৰিসৰ অতিৰিক্ত পুঁজি আৱণ্টনৰ দুগুণলৈ বৃদ্ধি কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে চৰকাৰৰ বিত্তীয় প্ৰণালীৰ এই বৃহৎ সংস্কাৰৰ ফলাফল সুদূৰপ্ৰসাৰী হ'ব আৰু এই সংস্কাৰে ৰাজ্য চৰকাৰৰ বিত্তীয় ব্যৱহাৰ ব্যৱস্থাক কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থাৱলীৰ ওচৰলৈ লৈ যাব। ৰাজ্যৰ সাম্প্ৰতিক বিত্তীয় ব্যৱস্থাটো যাতে বাধাগ্ৰস্ত নহয় তাৰ বাবে নতুন বিত্তীয় ব্যৱস্থাটো পৰ্যায়ক্ৰমে আৰম্ভ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

আজিৰ এই কৰ্মশালাত বিত্তমন্ত্ৰী অজন্তা নেওগ, উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বনমন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, হস্ততাঁত আৰু বস্ত্ৰমন্ত্ৰী ইউ জি ব্ৰহ্ম, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

**স্বাক্ষৰ / প্ৰঃকুঃবঃ**
**২৫/০৮/২০২১**